# বিশ্বৰ বৰণীয় গল্প

মুখ্য সম্পাদক ঃ মদন শৰ্মা



অসম অনুবাদ প্ৰতিষ্ঠান
অসম সাহিত্য সভা

## Biswar Baroniya Galpa

A collection of select short stories of the world, translated into Assamese by various translators and edited by Dr Madan Sarma.Published by Assam Institute of Translation, Asam Sahitya Sabha, Bhagwati Prasad Baruah Bhawan, Guwahati 781001.

First edition : September, 2018. Price : Rs. ₹ 275.00

অসম অনুবাদ প্ৰতিষ্ঠান, অসম সাহিত্য সভা
ভগৱতী প্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-১

প্ৰকাশক : অসম অনুবাদ প্ৰতিষ্ঠান, অসম সাহিত্য সভা
সহযোগী সম্পাদক : [illegible]
গ্ৰন্থ স্বত্ব : অসম অনুবাদ প্ৰতিষ্ঠান
প্ৰথম সংস্কৰণ : ছেপ্টেম্বৰ, ২০১৮
অংগসজ্জা : [illegible]
প্ৰচ্ছদ : [illegible]

ISBN : 978-81-936926-3-9

সৰ্বস্বত্ব সংৰক্ষিত ঃ লিখিত অনুমতি অবিহনে এই কিতাপৰ কোনো অংশকেই কোনো প্ৰকাৰৰ পুনৰ মুদ্ৰণ অথবা কোনো যান্ত্ৰিক উপায়েৰে (বৈদ্যুতিন, ইলেক্ট্ৰনিক বা আন কোনো মাধ্যম, ফটোকপি, টেপ বা পুনৰুদ্ধাৰৰ সুবিধা সম্বলিত তথ্য সঞ্চয় কৰি ৰখা কোনো পদ্ধতি) প্ৰতিলিপি কৰিব পৰা নাযাব। এই স্বত্ব উলংঘিত হ'লে উপযুক্ত আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

মুদ্ৰক ঃ [illegible], গুৱাহাটী-৭৮১০০৭

# সূচীপত্ৰ

| | | |
|---|---|---|
| পাতনি | মদন শৰ্মা | ৯ |
| ফুলস্কেপ কাগজৰ আধাখিলা | অগুষ্ট ষ্ট্ৰিণ্ডবেৰ্য়াৰ্গ (ছুইডেন)<br>অনুবাদ ঃ প্ৰসেনজিত দাস | ২৯ |
| অপৰাধী | ছেলমা লেগাৰলুফ (ছুইডেন)<br>অনুবাদ ঃ মোহন গোস্বামী | ৩৩ |
| যুদ্ধ | লুইজি পিৰান্দেল্লো (ইটালী)<br>অনুবাদ ঃ প্ৰিয়াক্ষী শইকীয়া | ৫৮ |
| সন্ধিয়া | চাকি (ইংলেণ্ড)<br>অনুবাদ ঃ মঞ্জু দত্ত | ৬৪ |
| একুৰা জুইৰ বাবে | জেক লণ্ডন (আমেৰিকা যুক্তৰাষ্ট্ৰ)<br>অনুবাদ ঃ মদন শৰ্মা | ৬৯ |
| পাখিৰ গাৰু | হ'ৰাচিও কিৰোগা (উৰুগুৱে)<br>অনুবাদ ঃ অৰুন্ধতী ভূঞা | ৮৮ |
| আবাসিক গৃহ | জেইমছ্ জয়চ (ইংলেণ্ড)<br>অনুবাদ ঃ অমিতাভ ৰঞ্জন কানু | ৯৩ |

# আৱাসিক গৃহ

**জেইম্‌ছ জয়ছ (১৮৮২-১৯৪১)**

শ্ৰীমতী মুনী আছিল এগৰাকী কচাইৰ ছোৱালী। তেওঁ জীৱন-যাপনৰ কিটিপবোৰ বৰ ভালকৈ জানে। তেওঁ দেউতাকৰ দোকানৰ মুখিয়ালজনৰ লগত বিবাহপাশত আবদ্ধ হৈ স্প্ৰিং গাৰ্ডেনৰ ওচৰত এখন কচাইখানা খোলে। শহৰেক ঢুকুওৱাৰ লগে লগে মি. মুনীয়ে নানা উদ্ভণ্ডালি কৰিবলৈ ল'লে। তেওঁ এসোপা ধাৰ নলগালৈকে মদ খাই ঘৰৰ বস্তু-বাহানি উৰুৱাই চলিছিল। শপত খুৱালেও একো কামত নাহিছিল, এইবোৰ নকৰোঁ বুলি শপত খোৱাৰ পাছদিনাখনেই শপত ভাঙিছিল। গ্ৰাহকৰ সন্মুখতেই পত্নীৰ সৈতে কাজিয়া কৰি আৰু বেয়া মাংস কিনি তেওঁৰ নিজৰ নিজে ব্যৱসায় নষ্ট কৰিছিল। এদিন ৰাতি তেওঁ মদৰ নিচাত মাংস কটা কটাৰীখন লৈ পত্নীক খেদি গৈছিল। সেই ৰাতিটো শ্ৰীমতী মুনীয়ে প্ৰতিবেশী এগৰাকীৰ ঘৰত থাকিব লগা হৈছিল।

তাৰ পিছৰে পৰা তেওঁলোক দুয়ো বেলেগে থাকিবলৈ ল'লে। শ্ৰীমতী মুনীয়ে গিৰ্জাৰ পুৰোহিতৰ ওচৰলৈ গৈ বিবাহ বিচ্ছেদ ল'লে। ল'ৰা-ছোৱালীহালৰ চোৱা-চিতাৰ ভাৰ তেৱেঁ পালে। তেওঁ গিৰিয়েকক টকা-পইচা, খোৱা বস্তু আৰু আনকি থাকিবলৈ কোঠা এটাও নিদিলে। মি. মুনীয়ে শ্বেৰিফৰ কাৰ্যালয়ত কাম কৰিবলৈ ল'লে। বগা মুখ, বগা গোঁফ, বগা চেলাউৰি আৰু সৰু চকুকিটাৰে তেওঁ আছিল সমুখলৈ অলপ হাওলি পৰা

লেনেকা-পেতেকাকৈ থকা এজন মলাই। গোটেই দিনটো এটা কামত মাংসৰ আপোন আৰক্ষণৰ চৌহদত বহি থাকিছিল। শ্ৰীমতী মুনীয়ে কসাইৰ ব্যৱসায়ত লাভ কৰা বাকী ধনখিনি উলিয়াই লৈ হাৰ্ডৱিক পথৰ কাষত এটা বোৰ্ডিং হাউচ্ বা আবাসিক গৃহ খোলে। শ্ৰীমতী মুনী আছিল শকত-আৱত আৰু আনৰ সমীহ আদায় কৰিব পৰা মহিলা। তেওঁৰ সেই আবাসিক গৃহত থাকিবলৈ অহা লোকসকল আছিল লিভাৰপুল আৰু আইল অব্ মেনৰ পৰা অহা পৰ্যটক। কেতিয়াবা মিউজিক হলৰ শিল্পীসকলো তাতে থাকিবলৈ আহিছিল। তাত নিয়াৰীকৈ থাকিবলৈ অহাসকল আছিল নগৰৰ কেৰাণী। শ্ৰীমতী মুনে ঘৰখন চলাওঁতে বৰ সজাগ থাকিছিল। তেওঁ জানিছিল কেতিয়া বাকী দিব লাগে, কেতিয়া খং কৰিব লাগে আৰু কেতিয়া মনে মনে থাকিব লাগে। ঘৰখনত থাকিবলৈ লোৱা সকলো যুৱকে তেওঁক মেডাম বা মহোদয়া বুলি সম্বোধন কৰিছিল।

শ্ৰীমতী মুনীৰ আবাসিক গৃহৰ এসপ্তাহৰ ভাৰা পোন্ধৰ চিলিং (বীয়েৰ বা আহাৰৰ সময়ত খোৱা মদ্যীয়া পানীয়ৰ দাম বাদ দি)। আবাসিক গৃহত থাকিবলৈ লোৱা ল'ৰাকেইটাৰ বৃত্তি আৰু পছন্দ-অপছন্দও একে হোৱা বাবে সিহঁতৰ মাজত বন্ধুত্ব আছিল। সিহঁতে প্ৰিয়পাত্ৰ আৰু বাহিৰতে বৈ যোৱাসকলৰ বিষয়ে নিজৰ মাজতে আলোচনা কৰিছিল। ফ্লিট ষ্ট্ৰীটত কমিশ্বন এজেন্টৰ কাম কৰা মেডামৰ পুত্ৰ জেক মুনী কঠুৱা স্বভাৱ আৰু আচৰণৰ বাবে বিখ্যাত আছিল। (তেওঁ গুৰুতৰ গোচৰ সমাধানত পাকৈত। সেনাৰ লম্পটতা তেওঁৰ প্ৰিয় বিষয়।) সৈন্যবাহিনীৰ লোকে ব্যৱহাৰ কৰা অশ্লীল মাত-কথা ব্যৱহাৰ কৰি তেওঁ ভাল পাইছিল। সাধাৰণতে তেওঁ শেষ ৰাতিহে ঘৰলৈ উভতি আহে। বন্ধুবিলাকক লগ পালে তেওঁ ঘোঁৰাখেলৰ ঘোঁৰা বা কোনোবা শিল্পীৰ বিষয়ে গাজাখুৰি গল্প কৰে। কেতিয়াবা টেঁটুফালি ধেমেলীয়া গান গায়, কেতিয়াবা দেও দিয়ে। আবাসিক গৃহত প্ৰতি দেওবাৰে সকলোৱে মালিকনীৰ বৈঠকখানাত একেলগ হয়। সকলোৱে একেলগে নাচে, গান গায়। বিশেষকৈ শেৰিডানে ৱ'লছ্ আৰু পল্কা সংগীত বজায় আৰু সংগত কৰে। মেডামৰ জীয়েক পলিয়ে গীত গায়। তাই গায় ঃ

*মই দুষ্ট ছোৱালী,*
*তুমি ভাও জুৰিব নালাগে*
*জানা তুমি মই দুষ্ট বুলি।*



লাহি দেহাটিৰে পলী এজনী উনৈশ বছৰীয়া ছোৱালী। তাইৰ চুলিখিনি মিহি আৰু কোমল, মুখখন সৰু অথচ পুৰঠ। কাৰোবাৰ সৈতে কথা পাতোঁতে তাই সেউজীয়াৰ অকণ আভাস থকা তাইৰ কজলা চকুযুৰি ওপৰলৈ তুলি ধৰে, ঠিক যেন অন্য এক মেডোনা। শ্ৰীমতী মুনীয়ে পোনতে তেওঁৰ জীয়েকক খাদ্যশস্যৰ ব্যৱসায়ী এজনৰ কাৰ্যালয়ত টাইপিষ্ট হিচাপে চাকৰি কৰিবলৈ পঠায়। পিছে শ্বেৰিফৰ তাত কাম কৰা কুখ্যাত মানুহ এজন প্ৰায়ে তালৈ আহে আৰু তাইৰ সৈতে কথা পাতিব খোজে। তাকে দেখি মাকে তাইক আকৌ ঘৰলৈ আনি ঘৰ চোৰাচিতা কৰিবলৈ লগালে। যিহেতু পলী আছিল তেনেই তজবজীয়া, মাকে তাইক ডেকাকেইজনৰ দায়িত্ব দিব খুজিছিল। ডেকাসকলে ওচৰে-পাঁজৰে গাভৰু এজনী আছে বুলি জানিলে ভাল পায়। অৱশ্যে পলীয়েও ডেকাসকলক অলপ আঁসে দিয়া যেন কৰিলে। পিছে পলীৰ অতি বুধিয়ক মাকে বুজিলে ডেকাসকলে কেৱল সময় কটাবলৈহে বিচাৰিছে, সিহঁতৰ মাজৰ কোনো এজন গভীৰ সম্পৰ্ক স্থাপনত আগ্ৰহী নহয়। কিছুদিন যোৱাৰ পিছত মাকজনীয়ে পলীক টাইপিষ্টৰ চাকৰিটোত পুনৰ সোমাবলৈ ক'ব বুলি মনে মনে পাঙি থাকোঁতেই তেওঁ এদিন পলী আৰু এজন যুৱকৰ মাজত হোৱা ঘনিষ্ঠতাৰ উমান পায়। তেওঁ কথাটো মন কৰে, কিন্তু একো নক'লে।

মাকে তাইক মন কৰি আছিল বুলি পলীয়ে জানিছিল। তথাপি তেওঁৰ নীৰৱতা আন ধৰণে লোৱা নাযায়। মাক আৰু জীয়ৰীৰ মাজত এই বিষয় লৈ কেতিয়াও কোনো গোপন সহমত বা কোনো মুকলি বুজাবুজিও হোৱা নাছিল। আবাসিক গৃহত থকা ব্যক্তিসকলৰ মাজত এই সম্পৰ্কটোৰ আলোচনা হ'লেও শ্ৰীমতী মুনীয়ে হস্তক্ষেপ নকৰিলে। পলীৰ আচৰণ অলপ আচহুৱা ধৰণৰ হ'বলৈ ধৰিলে, আৰু ডেকা মানুহজন স্পষ্টতঃ কিছু চিন্তিত হ'ল। অৱশেষত সঠিক বুলি তেওঁ ভবা মুহূৰ্তত শ্ৰীমতী মুনীয়ে হস্তক্ষেপ কৰিলে। কচায়ে মাংসৰ ক্ষেত্ৰত কৰাৰ দৰে নৈতিক সমস্যাৰ ক্ষেত্ৰতো তেওঁ একে ব্যৱস্থাই গ্ৰহণ কৰিলে। এইক্ষেত্ৰত তেওঁ মন বান্ধি ল'লে।

সিদিনা আছিল গ্ৰীষ্মৰ আৰম্ভণিৰ এটা দেওবাৰ। পিছলৈ গৰম পৰিব পাৰে যদিও তেতিয়া এজাক সতেজ বতাহ বলিছিল। আবাসিক গৃহৰ সকলো খিৰিকী খোলা আছিল। ফুল বছা ফিতা লগোৱা পৰ্দাবোৰো বাটৰ ফাললৈ ফুলি উঠিছিল। ছেইন্ট জৰ্জ গিৰ্জাঘৰৰ চূড়াৰ পৰা ঘণ্টাধ্বনি ভাহি আহিছিল, আৰু ভক্তসকলে গাইগুটীয়াভাৱে বা দলবান্ধি নিজৰ আচৰণেৰে আৰু হাতমোজা

পিঞ্জা হাতত লৈ অহা সৰু পুথিবোৰেৰে নিজৰ উদ্দেশ্যৰ ইংগিত দি গিৰ্জাৰ সমুখৰ সেই বৃত্তাকাৰ ঠাইডোখৰ পাৰ হ'বলৈ লৈছিল। আৱাসিক গৃহত থাকিবলৈ লোৱা ব্যক্তিসকল জলপান খাই আজৰি হৈছিল মাত্ৰ। খোৱা মেজৰ চুৰা কাঁহী-বাটিবোৰত আছিল উচ্ছিষ্ট আহাৰৰ বেশ, কণীৰ হালধীয়াৰাশি, গাহৰিৰ মাংস আৰু চৰ্বিৰ টুকুৰা। শ্ৰীমতী মুনীয়ে চকীখনত বহী লিগিৰি মেৰীক নিৰীক্ষণ কৰি আছিল। তাইক জলপান খোৱা মেজখন চাফা কৰি থাকোঁতে বৈ যোৱা পাউৰুটীৰ টুকুৰাবোৰ সংগ্ৰহ কৰি থ'বলৈ ক'লে— যাতে সেইখিনিৰে মঙলবাৰৰ কাৰণে ব্ৰেড-পুডিং কৰিব পাৰি। যেতিয়া মেজখন চাফা কৰা হ'ল আৰু চেনি আৰু মাখনখিনিও ভালদৰে তলা মাৰি ৰাখি দিয়া হ'ল, তেতিয়া শ্ৰীমতী মুনীয়ে আগনিশা পলীৰ সৈতে হোৱা কথা-বতৰাখিনি পাগুলিলে। কথাখিনি তেওঁ সন্দেহ কৰাৰ দৰেই। পলীক তেওঁ অকপটে কেইটামান প্ৰশ্ন কৰিছিল যাৰ উত্তৰ পলীয়ে কোনো সংকোচ নকৰাকৈয়ে দিছিল। প্ৰথম অৱস্থাত দুয়ো অকণমান অপ্ৰস্তুত নোহোৱা নহয়। মাক অপ্ৰস্তুত হৈছিল বাতৰিটো অতি উপৰুৱা ধৰণে গ্ৰহণ কৰিব নোখোজা আৰু পলীহঁতৰ মতত মত দিয়া যেন নলগা কৰিব খোজা বাবে। আনহাতে পলী অপ্ৰস্তুত হৈছিল কেৱল এই ধৰণৰ অভিযোগ উঠিলে তাই সদায় অপ্ৰস্তুত হয় বুলিয়েই নহয়, বৰঞ্চ এইবাবে যে মাকে কথাবোৰ সহি থকাৰ আঁৰৰ উদ্দেশ্য তাই গম পাইছে বুলি ভবাটো তাই বিচৰা নাছিল।

শ্ৰীমতী মুনীয়ে ভাবি-গুণি থকাৰ মাজতে ছেইণ্ট জৰ্জ গিৰ্জাৰ ঘণ্টাধ্বনি বন্ধ হ'ল বুলি গম পোৱাৰ লগে লগে ক'ব নোৱৰাকৈয়ে কাঠৰ ছেল্ফখনৰ ওপৰত থকা সোণখটোৱা ঘড়ীটোলৈ চালে। ঘড়ীত তেতিয়া এঘাৰ বাজি সোতৰ মিনিট। বাৰ বজাৰ ভিতৰতে মিষ্টাৰ ডোৱানক লগ ধৰি কথা পাতি মাৰ্লবোৰো ষ্ট্ৰিট গিৰ্জাৰ দুপৰীয়া প্ৰাৰ্থনালৈ যাবলৈ তেওঁ যথেষ্ট সময় পাব। তেওঁ জিকিব বুলি তেওঁ নিশ্চিত আছিল। প্ৰথমতে চাবলৈ গ'লে সমাজৰ মত তেওঁৰ সপক্ষেই থাকিব— তেওঁ হ'ল অন্যায়ৰ সন্মুখীন হোৱা এগৰাকী মাক। ভাল, সম্ভ্ৰান্ত মানুহ বুলি ভাবিয়ে তেওঁক তেওঁলোকৰ লগত একেখন চালৰ তলত থাকিবলৈ দিয়া হৈছিল আৰু তেওঁ সেই আতিথ্যৰ অসন্মান কৰিছে। মি. ডোৱানৰ বয়স চৌত্ৰিছ বা পঁয়ত্ৰিছ, গতিকে তেওঁ কম বয়সৰ অজুহাত দিব নোৱাৰে। তেওঁ অজ্ঞতাৰ অজুহাতো দিব নোৱাৰে যিহেতু তেওঁ সংসাৰখন দেখিছে। তেওঁ যে পলীৰ কম বয়স আৰু অনভিজ্ঞতাৰ সুযোগ লৈছে সেই



কথা স্পষ্ট। প্ৰশ্ন হ'ল ঃ তেওঁ ইয়াৰ ক্ষতিপূৰণ কেনেকৈ কৰিব?

এনে ক্ষেত্ৰত কিবা ক্ষতিপূৰণ নিশ্চয় হ'ব লাগিব। নিশ্চিত। কাৰণ ল'ৰাৰনো কি, সকলো পাহৰি গৈ এইদৰে জীৱন যাপনত নিমগ্ন হ'ব যেন অতীতত একোৱেই হোৱাই নাছিল। কিন্তু ভুগিব লাগিব ছোৱালীয়ে। কিছুমান মাকে হয়তো ধন অলপ পালেই সেইবোৰ থাপি-থুপি থ'ব, তেনে দৃষ্টান্তৰ কথা তেওঁ জানে। কিন্তু তেওঁ তেনে কাম নকৰে। মাত্ৰ এটা কথাই তেওঁৰ কন্যাৰ হেৰোৱা মৰ্যাদা ঘুৰাই পোৱাত সহায় কৰিব আৰু সেয়া হৈছে বিয়া।

ডোৱানৰ সৈতে কথা পাতিবলৈ বুলি তেওঁক আনিবলৈ মেৰীক ওপৰ মহলালৈ পঠিওৱাৰ আগতে তেওঁ নিজৰ সপক্ষে থকা কথাবোৰ এবাৰ মনতে জুকিয়াই চালে। তেওঁ জিকিব বুলি নিশ্চিত। ডোৱান এগৰাকী গহীন প্ৰকৃতিৰ মানুহ, আনবিলাকৰ দৰে নৈতিকতাহীন বা অহংকাৰী নহয়। ডোৱানৰ ঠাইত শ্বেৰিডান বা মীড বা বেণ্টাম লায়নছ্ হোৱাহেঁতেন, কামটো আৰু কঠিন হ'লহেঁতেন। তেওঁ নিশ্চয় কথাবোৰ ৰাজহুৱা হোৱাটো নিবিচাৰিব। আৱাসিক গৃহত থকা মানুহবোৰে পলী আৰু ডোৱানৰ মাজত থকা সম্পৰ্কটোৰ বিষয়ে জানে। কিছুৱে হয়তো খুঁটি-নাটিবোৰ কল্পনা কৰি লৈছে। তদুপৰি যোৱা তেৰ বছৰ ধৰি ডোৱান এজন ডাঙৰ কেথলিক সুৰা ব্যৱসায়ীৰ কাৰ্যালয়ত কৰ্মৰত। সম্পৰ্কটোৰ বিষয়ে বেছি জনাজনি হ'লে ডোৱানে তেওঁৰ চাকৰিটো হেৰুৱাব লগা হ'বও পাৰে। আনহাতে তেওঁ সন্মত হ'লে সকলো সুকলমে হৈ যাব পাৰে। তেওঁ উপযুক্ত পাত্ৰ আৰু কিছু ধনো হয়তো সাঁচি ৰাখিছে।

প্ৰায় আধা ঘণ্টা। শ্ৰীমতীয়ে আইনাত নিজৰ মুখখন চালে। নিজৰ ডাঙৰ ৰঙা মুখখনত দৃঢ়তাৰ অভিব্যক্তি দেখি তেওঁ সন্তুষ্ট। তেওঁ নিজে জনা কিছুমান মাকৰ কথা ভাবিলে, যিসকলে নিজৰ জীয়েকক সুপাত্ৰত গটাব পৰা নাছিল।

দেওবাৰৰ সেই পুৱাবেলা মি. ডোৱান সঁচাকৈয়ে বৰ উদ্বিগ্ন হৈ আছিল। দুবাৰ দাড়ি আৰু গোফ খুৰোৱাৰ যত্ন কৰিও পৰা নাই। খুৰখন ল'লেই হাতখন কঁপি থাকে। তিনি দিনৰ ৰঙা দাড়ি তেওঁৰ মুখমণ্ডল আৰু থুঁতৰিত। দুই-তিনি মিনিটৰ মূৰে মূৰে তেওঁৰ চছমাৰ কাঁচ দুখন ধুঁৱলি হৈ পৰে আৰু তেওঁ সেইযোৰ খুলি জেপৰ পৰা ৰুমাল উলিয়াই মচি ল'বলগীয়া হয়। যোৱাৰাতি তেওঁ ধৰ্মীয় যাজকজনৰ ওচৰত কৰা স্বীকাৰোক্তিৰ পিছৰে পৰা তেওঁৰ এনে অৱস্থা। ধৰ্মযাজকজনে পলীৰ সৈতে থকা গোপন সম্পৰ্কৰ বিষয়ে সকলো কথা তেওঁৰ মুখৰ পৰা উলিয়াই ল'লে আৰু শেষত তেওঁৰ পাপ ইমান বেছি কৰি

পৰা তেওঁক মাতযাৰ দি কৈ যায় যে ঘৰৰ গৰাকী শ্ৰীমতী মুনীয়ে তেওঁক বৈঠকখানালৈ মাতি পঠিয়াইছে। আগতকৈও বেছি অসহায় অনুভৱ কৰি তেওঁ ঘপহকৈ উঠি কোট আৰু ৱেষ্টকোট পিন্ধি লয়। কাপোৰসাজ পিন্ধি তেওঁ পত্নীক সান্ত্বনা দিয়ে, ভয় নকৰিবা, সকলো ঠিকে-ঠাকে হ'ব। তেওঁ যোৱাৰ পৰত পলীয়ে বিছনাত পৰি উচুপি কৈ আছিল, 'হে ভগৱান...।'

তেওঁ খটখটীৰে তললৈ নামি যাওঁতে চছ্‌মাযোৰ ভাপ লাগি ইমান অস্পষ্ট হৈ পৰিল যে তেওঁ সেইযোৰ খুলি লৈ ভালদৰে মচি ল'বলগীয়া হয়। ঘৰৰ চালেৰে উঠি গৈ কোনোবা দেশলৈ উৰি যাবলৈ তেওঁৰ মন গ'ল— য'ত তেওঁ সন্মুখীন হোৱা সমস্যাবিলাকৰ কথা নুশুনিব। তথাপি কিবা এটা শক্তিয়ে তেওঁক তললৈ নমাই নি থাকিল। তেওঁৰ নিয়োগকৰ্তা আৰু আৱাসিক গৃহৰ মালিকনীজনীৰ কঠোৰ মুখ দুখনে তেওঁৰ অসহায় অৱস্থা চাই আছে। শেষৰ ঢাপকেইটা নামি যাওঁতে তেওঁ হাতত দুটা পানীয়ৰ বটল লৈ উঠি অহা জেক মুনীক লগ পালে। দুয়ো পৰস্পৰক নীৰৱে সম্ভাষণ জনালে। তেওঁৰ দৃষ্টি কেইটামান মুহূৰ্তৰ বাবে জেকৰ বুলডগৰ নিচিনা মুখ আৰু শকত আৰু চুটি বাহুৰ ওপৰত থমকি ৰ'ল। ছিৰিৰ তলত বৈ ওপৰলৈ চাই তেওঁ দেখিলে— জেকে এটা কোঠাৰ দুৱাৰমুখৰ পৰা তেওঁলৈ চাই আছে।

হঠাতে তেওঁৰ মনত পৰি গ'ল এটি ৰাতিৰ ঘটনা। সকলোৰে একেলগে পাৰ্টী কৰি আছিল। গান-বাজনা চলি থকা সময়তে সংগীত আৰু নৃত্যৰ অনুষ্ঠানত ভাগ লোৱা শিল্পী, ৰঙাচুলীয়া ইংৰাজ যুৱক এজনে পলীক অলপ বেয়া ইংগিত দিছিল। জেকৰ হিংসাত্মক আচৰণে অনুষ্ঠানটোৰ সামৰণি পেলালে। সকালোৰে তেওঁক শান্ত কৰিবলৈ চেষ্টা কৰিছিল। ডেকা শিল্পীজনে অলপ শেঁতা পৰিলেও হাঁহি হাঁহি কৈছিল যে তেওঁ একো বেয়া ইংগিত দিব খোজা নাছিল। পিছে জেকে চিঞৰি চিঞৰি কৈ গৈছিল— কোনোবাই তাৰ ভনীয়েকক তেনেদৰে দুৰ্ব্যবহাৰ কৰিলে সি মানুহজনৰ দাঁত সৰুৱাই পেলাব।

পলি উচুপি উচুপি কিছুপৰ বিছনাখনতে বহি থাকিল। তাৰ পিছত চকুপানী মচি আৰ্চীখনৰ ওচৰত থিয় হ'ল। টাৱেলখনৰ আগটো জাগৰ পানীত তিয়াই চকু দুটা মচি ল'লে। নিজৰ চেহেৰাটো এবাৰ আৰ্চীত চাই কাণৰ ওপৰৰ চুলিখিনিত হেয়াৰ পিনটো ভালদৰে খুঁচি ল'লে। তাই আকৌ বিছনাখনলৈ উভতি গৈ পথানৰ ফালে বহিল। বহুপৰ গাৰুকেইটালৈ চাই ৰ'ল। সেইকেইটা দেখি তাইৰ মনত গোপন ভাল লগা স্মৃতি জাগৃত হ'ল। তাই গলধনটো বিছনাৰ



লোহাৰ ফ্ৰে'মৰ ওপৰত পেলাই থ'লে আৰু ভাবনাত বিভোৰ হ'ল। তাইৰ মুখমণ্ডলত উদ্বিগ্নতাৰ অকণো চিন নাছিল।

তাই ধৈৰ্য ধৰি, অলপ স্ফূৰ্তিৰেই তেনেকৈ বৈ থাকিল, লাহে লাহে সোঁৱৰণৰ ঠাই ল'লেহি আশা আৰু ভৱিষ্যতৰ স্বপ্নই। তাইৰ আশা আৰু ভৱিষ্যতৰ স্বপ্ন ইমান সূক্ষ্ম আছিল যে তাইৰ দৃষ্টি নিবদ্ধ বগা গাৰুকেইটাও তাই নেদেখিলে, তাই যে কিহবাৰ বাবে বৈ আছে সেই কথাও তাই মনত নেপেলালে।

অৱশেষত তাই মাকে মতা শুনিলে। তাই থিয় হ'ল আৰু ছিৰিৰ ৰেলিঙৰ ফালে দৌৰি গ'ল।

'পলী, পলী।'

'কি হ'ল, মা?'

'তললৈ আহা সোণ, মি. ডোৰানে কিবা ক'ব খুজিছে।'

আৰু তেতিয়া তাইৰ মনত পৰিল— তাইনো কিহৰ বাবে বাট চাই আছিল।

অনুবাদ ঃ অমিতাভ ৰঞ্জন কানু